# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম    বিষয় ঃ ভাষা-১ (অসমীয়া)  চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ),২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে পদ্যৰ লগতে যি কোনো বিষয়বস্তুৰ বিষয়ে যি কোনো দফা যুক্তিনিষ্ঠভাৱে লিখিব পাৰিব।

⇨ ওচৰ-চুবুৰীয়াৰ লগত (বহু-ভাষী পৰিস্থিতিত) ছাত্ৰ-ছাত্ৰীয়ে যি কোনো বিষয়ে ভাব বিনিময় কৰিব পাৰিব আৰু সেইকথা লিখিব পাৰিব।

⇨ পৰিচিত লোক-সাহিত্যৰ বিষয়ে লিখিব পাৰিব।

⇨ লোক-নাট্যানুষ্ঠানৰ বিষয়ে জানিব পাৰিব আৰু ইয়াৰ লগত জড়িত বাদ্য-যন্ত্ৰবোৰৰ লগত পৰিচিত হৈ সেইবোৰ অংকন কৰিব পাৰিব।

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ যিকোনো পদ্য, গদ্য আকাৰত সহজে বুজিব পৰাকৈ লিখিব পৰা।

⇨ যিকোনো বিষয়বস্তু সম্পৰ্কে যুক্তিদৰ্শাই লিখিব পৰা।

⇨ ওচৰ চুবুৰীয়া (বিশেষকৈ বিভিন্ন ভাষা-ভাষীৰ)ৰ লগত গঢ়ি উঠা সম্পৰ্কৰ ওপৰত ভিত্তি কৰি ভাব বিনিময় কৰিব পৰা বা বিভিন্ন শব্দৰ তালিকা প্ৰস্তুত কৰিব পৰা।

⇨ পৰিচিত লোকসাহিত্যৰ বিষয়ে লিখিব পৰা।

⇨ লোক-নাট্যানুষ্ঠানৰ বিষয়ে লিখিব পৰা আৰু সেই অনুষ্ঠানৰ লগত সম্পৰ্ক থকা বাদ্য-যন্ত্ৰৰ ছবি আঁকিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) ওজা-পালি | - | পাঠ নং ১৩ |
| খ) সৰু ছোৱালী আৰু পখী | - | পাঠ নং ১৪ |

**পাতনি ঃ**

২০০৯ শিক্ষাৰ অধিকাৰ আইন অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। ছাত্ৰ-ছাত্ৰীৰ আগৰ মূল্যায়নৰ ভিত্তিত দেখা গৈছে যে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ ক্ষেত্ৰত কিছু দুৰ্বলতা আছে। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে পদ্যৰ কথা গদ্য আকাৰে লিখাত, যিকোনো বিষয়বস্তু যুক্তিপূৰ্ণভাৱে লিখাত আৰু আমাৰ চিনাকি লোকসাহিত্যৰ বিষয়ে লিখাত খোকোজা লাগে। সিহঁতৰ বাক্য-গাঁথনিত ভুল হৈ যায়। ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বৰ শ্ৰেণীতে বাক্য-গাঁথনি শিকে যদিও কিছুমান ক্ষেত্ৰত ভুল ৰৈ যায়। বিশেষকৈ বিভিন্ন পাঠ্যপুথিৰ বহিৰ্ভূত বিষয়, তথা পদ্যৰ সাৰাংশ লিখনত আৰু বহুভাষিক পৰিস্থিতিত লিখাত কিছু সমস্যা পায়।

সেয়েহে এই সমল সামগ্ৰীত লিখন কৌশলৰ বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু নতুন ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। শিক্ষক শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম -**

⇨ শুনা বা পঢ়া কথাবোৰ বোধগম্য হোৱাৰ পিছত নিজস্ব প্ৰকাশভংগীৰে সুন্দৰ আৰু সাৱলীলভাৱে লিখাৰ দক্ষতা আহৰণ কৰিব পাৰিব।

⇨ লিখনত জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ চিন্তা-শক্তি, সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব।

⇨ লিখনৰ দ্ৰুততা বাঢ়িব।

⇨ ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ আৰু পঠনবোধ মূল্যায়ন নিৰূপণ কৰিব পাৰিব।

⇨ পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম —**

⇨ এই অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ বাবে ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ লিখন দক্ষতাৰ বিকাশ হ'ব পৰা ক্ৰিয়া-কলাপ কৰাব পাৰিম যাৰ পৰা স্ব-মূল্যায়নৰ সুবিধা পাম।

⇨ ছাত্ৰ-ছাত্ৰীক সৃষ্টিশীল (বাস্তৱ আৰু পৰিৱেশ ভিত্তিক) লিখনিৰ প্ৰতি আগ্ৰহী কৰিবলৈ পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰাৰ কাৰণে সুবিধা কৰিব পাৰিম।

⇨ অনুশীলনৰ জৰিয়তে ভাব বহলাই লিখা, সাৰাংশ লিখন, বিভিন্ন ভাষা-ভাষী লোকৰ শব্দৰ তালিকা আদি লিখিবলৈ দিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

⇨ পৰিচিত লোক-সাহিত্যৰ বিভিন্ন বিষয়ে লিখিবলৈ দিব পাৰিম।

⇨ এই সমল সামগ্ৰী প্ৰস্তুত কৰা মূল উদ্দেশ্য হ'ল পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লিখনৰ শিকন ঘাটি পূৰাবৰ বাবে শ্ৰেণীকোঠাত যাতে নতুন কাৰ্যব্যৱস্থা ল'ব পৰা যায়, তাৰ বিষয়ে অৱগত কৰা।

এই সমল সামগ্ৰীত ১৩ নং আৰু ১৪ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে শিক্ষণ-শিকন প্ৰক্ৰিয়াক বেছি ফলপ্ৰসূ কৰিব পৰাকৈ বিভিন্ন ব্যৱস্থাৰ নিৰ্দেশ কৰা হৈছে।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) যিকোনো বিষয়ে যুক্তিদৰ্শাই লিখিব পৰা। | ⇨পাঠ্যপুথি/পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী | দলগত কাৰ্য | ১) তলত দিয়া বিষয় সম্পৰ্কে নিজাকৈ দহ শাৰী বাক্য লিখা।<br>'ৰামায়ণ', 'ওজা-পালি', 'মহাভাৰত' | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |
| খ) পদ্যৰ স্তৱক ব্যাখ্যা কৰিব পৰা। | ⇨পাঠ্যপুথিৰ নিৰ্দিষ্ট দফা। | দলগত কাৰ্য | ২) 'সৰু ছোৱালী আৰু পখী' কবিতাটোৰ<br>আহ, পখী আহ,<br>তোক মই ভাল পাওঁ,<br>দেখিলেই চাই ৰওঁ<br>পাখি মেলি উৰা মাৰি আহ,<br>আহ পখী, সাউৎ কৰে আহ। —স্তৱকটোত ছোৱালীজনীয়ে কি প্ৰকাশ কৰিব বিচাৰিছে নিজৰ ভাবত লিখা। | |

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| গ) ওচৰ-চুবুৰীয়াৰ লগত (বিভিন্ন ভাষা-ভাষী লোকৰ লগত) ছাত্ৰ-ছাত্ৰীয়ে যিকোনো বিষয়ে ভাব বিনিময় কৰিব আৰু লিখিব পৰা। | ⇨ পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী | দলগত কাৰ্য | ৩) লগৰ বন্ধু-বান্ধবীৰ লগত কৰা কথোপকথনক লিখিত ৰূপ দিয়া। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ঘ) পৰিচিত লোক সাহিত্য, লোক নাট্যানুষ্ঠানৰ বিষয়ে লিখিব পৰা। | ⇨ পাঠ্যপুথি/পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী | দলগত কাৰ্য | ৪) তুমি নিজে দেখা লোক সাহিত্যৰ যিকোনো এটি বিষয়ৰ ওপৰত টোকা প্ৰস্তুত কৰা।<br>৫) কুশান-গান, পুতলা নাচ, ওজা-পালি ইয়াৰে যি কোনো এটিৰ বিষয়ে পাচশাৰীত এটা টোকা প্ৰস্তুত কৰা।<br>৬) ওজাপালিয়ে 'দিহা' ত কি কাহিনী গায়? | |
| ঙ) লোকনাট্যনুষ্ঠানৰ লগত জড়িত বাদ্য-যন্ত্ৰৰ ছবি আঁকা। | ⇨ পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী | দলগত কাৰ্য | ৭) লোক-নাট্যনুষ্ঠানত ব্যৱহৃত ঢোল বা খুঁটি-তালৰ ছবি আঁকা আৰু অংশবোৰ চিনাক্ত কৰা। | |

ক্ষেত্ৰ অধ্যয়ন ঃ (Case Study)

**প্ৰস্তুতি ঃ**

সবিতা বৰা যোৰহাটৰ ওচৰৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভাষা বিষয়ৰ শিক্ষয়িত্ৰী। তেখেতে পঞ্চম শ্ৰেণীত ভাষা বিষয়টো আদান-প্ৰদান কৰা সময়ত মন কৰিছিল যে পূৰ্বতকৈ ছাত্ৰ-ছাত্ৰীসকৰ ভাষা লিখন কৌশলৰ দক্ষতা বৃদ্ধি পাইছে যদিও পদ্য/কবিতা পঢ়ি তাক গদ্য ৰূপত লিখাত বা যি কোনো এটা বিষয় পঢ়ি নিজাববীয়াকৈ সজাই-পৰাই লিখনৰ ক্ষেত্ৰত যথেষ্ট ঘাটি আছে। এই ঘাটিসমূহ আঁতৰাবৰ বাবে সবিতা বাইদেউৱে ১৩ নং পাঠৰ আলমত নিদানমূলক ব্যৱস্থাৰ পৰিকল্পনা কৰি তাক শ্ৰেণীকক্ষত কেনেকৈ প্ৰয়োগ কৰি সফল হৈছিল চাওঁ আহক।

'মই পঞ্চম শ্ৰেণীৰ পাঠ নং ১৩ 'ওজা-পালি' পাঠটো পঢ়াবলৈ আৰম্ভ কৰাৰ আগতেই পাঠটোৰ লগত সম্পৰ্ক থকা পুতনা নাচ, ওজা-পালি, ঢুলীয়া ভাওনা, কুশান গান, বিহু আদিৰ ছবি পাঠ্যপুথিৰ আলমত সংগ্ৰহ কৰিছিলোঁ। ইয়াৰোপৰি কেলেণ্ডাৰৰ পৰাও এনে ছবি সংগ্ৰহ কৰি এখন চাৰ্টত লগাই লৈছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিখন ছবিৰ বিষয়ে সহজ-সৰলকৈ বুজাইছিলোঁ। সেই অনুষ্ঠানবোৰত কিমানজন মানুহ থাকে , কি সাজ পৰিধান কৰে, কি বাদ্য বজায়, কেনেদৰে পৰিৱেশন কৰে — ইত্যাদি দৃশ্য-শ্ৰব্য সঁজুলিৰ সহায়ত দেখুৱাইছিলোঁ।

পুনৰ ছাত্ৰ-ছাত্ৰীসকলক ৪/৫ জনীয় দলত ভাগ কৰি লৈছিলোঁ। দৃশ্য-শ্ৰব্য সামগ্ৰীৰ সহায়ত আগতে বুজাই দিয়া বিষয় সমূহ — ক) পুতলা নাচ খ) ওজা-পালি গ) ঢুলীয়া ভাওনা ঘ) কুশান গান ঙ) বিহু আদি বেলেগ বেলেগ কাগজৰ টুকুৰাত লিখি প্ৰত্যেক দলকে একোটা বিষয়ৰ ওপৰত দলগতভাৱে আলোচনা কৰি ৪/৫ শাৰীকৈ লিখিবলৈ দিছিলোঁ। প্ৰতিটো দলৰে দলপতিজনে দলত লিখা নিৰ্দিষ্ট বিষয় সম্পৰ্কে পঢ়ি দিছিল। ভুল হ'লে মই শুধৰাই দিছিলোঁ, এনেদৰে পাঠত থকা বিষয় সম্পৰ্কে লিখিবলৈ সুবিধা দিছিলোঁ।

এনেদৰে মই ছাত্ৰ-ছাত্ৰীসকলক ১৪ নং পাঠ 'সৰু ছোৱালী আৰু পখী' পদ্যটো আবৃত্তিৰ যোগেদি শুনাইছিলো, প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে আবৃত্তি কৰিবলৈ দি কবিতাত পোৱা কঠিন শব্দবোৰ বিচাৰি উলিয়াই লিখিবলৈ দিছিলোঁ। কঠিন শব্দৰ অৰ্থ লিখাত মই প্ৰত্যেককে সহায় কৰিছিলোঁ। পুনৰ কবিতাৰ একোটা স্তৱকৰ কথাখিনি সহজকৈ বুজাই দি গদ্য ৰূপত লিখিবলৈ দিছিলোঁ। এটা স্তৱকৰ অৰ্থখিনি বুজি সকলোৱে শুদ্ধকৈ লিখিব পাৰিলেহে দ্বিতীয় স্তৱকটো বুজাইছিলোঁ। এনেদৰে বাৰে বাৰে অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীক শিকাইছিলোঁ।'

এনেদৰে সবিতা বৰা বাইদেউৱে ক্ৰিয়া-কলাপৰ সহায়ত এক আনন্দ মুখৰ পৰিৱেশত সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰিছিল।

*বিঃ দ্ৰঃ — সবিতা বৰাই বিশেষভাৱে সক্ষম ছাত্ৰীগৰাকীৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

- সবিতা বাইদেউৱে কিয় প্ৰতিবাৰে ছাত্ৰ-ছাত্ৰীসকলক লিখাত উৎসাহ যোগাইছিল?
- ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ আছিল?
- সকলো ধৰণৰ ছাত্ৰ-ছাত্ৰীক সমানে জড়িত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছিল?
- লোকনাট্যানুষ্ঠানৰ বিষয়ে বুজাবলৈ তেওঁ কি আহিলা ব্যৱহাৰ কৰিছিল?

**ক্ৰিয়া-কলাপ ঃ ১**

পাঠটোৰ আদান-প্ৰদানৰ অন্তত পাঠৰ অন্তৰ্গত বিষয়সমূহ বুজি ছাত্ৰ-ছাত্ৰীয়ে ক্ৰম অনুসৰি লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিছেনে নাই জানিবলৈ শিক্ষকে এই ক্ৰিয়া-কলাপ কৰিব পাৰে।

ছাত্ৰ-ছাত্ৰীক লিখনৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ১ নং তালিকাত দিয়া বিষয়বোৰ বোৰ্ডত লিখি দিব। যি কোনো এজন ছাত্ৰ-ছাত্ৰীক বোৰ্ডৰ ওচৰলৈ মাতি তালিকাত থকা যি কোনো এটা বিষয় বাছি লৈ বোৰ্ডত এটা বাক্য লিখিবলৈ দিব।

**১ নং তালিকা**

| | |
|---|---|
| **(ক)** ওজা-পালিৰ সাজ পাৰ<br>**(গ)** কুশান গান | **(খ)** ওজা-পালিৰ প্ৰকাৰ<br>**(ঘ)** ওজা-পালিত ব্যৱহাৰ কৰা বাদ্য-যন্ত্ৰ |
| ঙ) হুচৰি | |

ভুল হ'লে শিক্ষকে শুধৰাই পুনৰ লিখিবলৈ দিব। পুনৰ অন্য এজন ছাত্ৰ/ছাত্ৰীক মাতি প্ৰথম বাক্যটোৰ লগত সংগতি ৰাখি অন্য এটা বাক্য লিখিবলৈ দিব পাৰে। এনেদৰে ৪/৫ শাৰী লিখা হ'লে শিক্ষকে সকলোৰে সহযোগত শুদ্ধকৈ লিখি পঢ়ি শুনাব।

প্ৰত্যেককে নিজৰ নিজৰ টোকাবহীত লিখি ল'বলৈ দিব। এনেদৰে তালিকাত থকা বিষয়সমূহ লিখিবলৈ দিব পাৰে।

এই ক্ষেত্ৰত প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে যাতে অংশগ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি শিক্ষকে লক্ষ্য ৰাখিব।

**ক্ৰিয়া-কলাপ ঃ ২**

পাঠ নং ১৪ শিক্ষকে 'সৰু ছোৱালী আৰু পখী' পদ্যটো চাৰিটা স্তৱকত ভাগ কৰি চাৰ্ট পেপাৰত বা পুৰণি কেলেণ্ডাৰৰ পিছফালে স্পষ্টকৈ লিখি বেৰত আঁৰি দিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক ৪ টা দলত ভাগ কৰি প্ৰত্যেককে একোটাকৈ স্তৱকৰ ওপৰত আলোচনা কৰি গদ্যৰূপত লিখিবলৈ দিব পাৰে। প্ৰত্যেক দলে নিজে লিখা গদ্যৰূপ পঢ়ি শুনাব আৰু ভুল হ'লে শিক্ষকে শুধৰাই দিব পাৰে।

সাৰাংশ ঃ

- ওপৰোক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শব্দেৰে দফা লিখিব পাৰিব।
- পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পদ্য, সাধু বা কাহিনী সজাই-পৰাই নিজাববীয়াকৈ লিখিব পাৰিব।
- লোক-সাহিত্য, লোক-নাট্যানুষ্ঠানৰ বিষয়ে জ্ঞান লাভ কৰি লিখিব পাৰিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

➪ তোমাৰ অঞ্চলত পালন কৰা যি কোনো এটা লোক-অনুষ্ঠানৰ বিষয়ে ৫ শাৰী লিখা।

➪ তলত দিয়া বিষয় সম্পৰ্কত ৫ শাৰী বাক্য লিখা।

ৰামায়ণ, ওজা-পালি, মহাভাৰত।

➪ 'আহ, পখী আহ,
তোক মই ভাল পাওঁ,
দেখিলেই চাই ৰওঁ
পাখি মেলি উৰা মাৰি আহ,
আহ পখী সাউৎ কৰে আহ।' — এই স্তৱকটোৰ কথাখিনি গদ্য আকাৰত লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

➪ উত্তৰ লিখা ঃ —

ক) ডাইনা-পালি কাক বোলে?

খ) বিয়াহৰ ওজা-পালিক আৰু কি নামেৰে জনা যায়?

গ) পুতলা নাচত সুত্ৰধাৰে কিহৰ সহায়ত পুতলা নচুৱায়?

➪ ওজা-পালিয়ে 'দিহা'ত কি কাহিনী গায় লিখা।

➪ ওজা-পালি অনুষ্ঠানত ব্যৱহাৰ কৰা বাদ্য-যন্ত্ৰৰ নাম লিখা।

➪ বাক্য-ৰচনা কৰা — খুঁটি-তাল, ভাৰৰীয়া, ততালিকে, সুললিত।

➪ বাক্য কেইশাৰী শুদ্ধকৈ লিখি উলিওৱা — 'মই আজি খেলি যাম। ৰাম আহিছে। তোমাৰ পৰীক্ষালৈ পঢ়া হ'ল নে? আমাৰ ওচৰত আজি ভাওনা পাতিছে। বৰষুণ আহিব কিজানি। কিতাপখনলৈ আহাচোন' —

➪ লোক-নাট্যানুষ্ঠানত ব্যৱহৃত ঢোল বা খুটি - তালৰ ছবি অঁকা আৰু অংশবোৰ চিনাক্ত কৰা।

**প্ৰসংগ পুথি ঃ**


➪ পাঠ্যপুথি - অংকুৰণ (পঞ্চম শ্ৰেণী)

➪ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা ঃ চক্ৰেশ্বৰ দাস।

➪ গুণোৎসৱ আৰু নাচ (NAS ) 2017 ৰ ফলাফল।

➪ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।


****